**22E—ECON**

# 2022

## ECONOMICS

*Full Marks* : 100
*Pass Marks* : 30

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

### ALLOTMENT OF MARKS

PART—A / বিভাগ—ক

| | | |
|---|---|---|
| Q. No. **1**(*a–f*) carries *1* mark each | : | 1×6 = 6 |
| Q. Nos. **2–7** carry *2* marks each | : | 2×6 = 12 |
| Q. Nos. **8–12** carry *4* marks each | : | 4×5 = 20 |
| Q. Nos. **13 & 14** carry *6* marks each | : | 6×2 = 12 |
| | | Total = 50 |

PART—B / বিভাগ—খ

| | | |
|---|---|---|
| Q. No. **15**(*a–f*) carries *1* mark each | : | 1×6 = 6 |
| Q. Nos. **16–21** carry *2* marks each | : | 2×6 = 12 |
| Q. Nos. **22–26** carry *4* marks each | : | 4×5 = 20 |
| Q. Nos. **27 & 28** carry *6* marks each | : | 6×2 = 12 |
| | | Total = 50 |

Total (PART—A & PART—B) : 50+50=100

## PART—A

## বিভাগ—ক

### ( Introductory Microeconomics )

**1.** Answer the following :

তলত দিয়াবিলাকৰ উত্তৰ দিয়া :

(a) State the law of supply. 1

যোগানৰ বিধিটো লিখা।

(b) What is break-even point? 1

সমতাভংগ বিন্দু কি?

(c) What is the shape of a perfectly inelastic demand curve? 1

পূৰ্ণ অস্থিতিস্থাপক চাহিদা ৰেখাৰ আকৃতি কেনেকুৰা?

(d) What does a point below the production possibility curve indicate? 1

উৎপাদন সাম্ভাৱ্য ৰেখাৰ তলত অৱস্থিত বিন্দু এটাই কি নিৰ্দেশ কৰে?

(e) What is market economy? 1

বজাৰ অৰ্থনীতি কি?

(f) What do you understand by price ceiling? 1

দৰৰ উচ্চ সীমা বুলিলে কি বুজা?

**2.** What is opportunity cost? Explain with an example. 1+1=2

সুযোগ ব্যয় কি? এটা উদাহৰণসহ ব্যাখ্যা কৰা।

**3.** Write the law of variable proportion. 2

পৰিৱৰ্তনশীল অনুপাত বিধিটো লিখা।

**4.** State the law of demand and draw a demand curve. 1+1=2

চাহিদা বিধিটো লিখা আৰু লগতে এডাল চাহিদা ৰেখা অংকন কৰা।

**5.** Prove that for a firm, price = average revenue. 2

প্ৰমাণ কৰা যে কোনো এখন প্ৰতিষ্ঠানৰ বাবে, দৰ = গড় আয়।

**6.** Write the conditions of firm's equilibrium. 2

প্ৰতিষ্ঠানৰ ভাৰসমতাৰ চৰ্তকেইটা লিখা।

**7.** How does imposition of per unit tax affect supply curve of a firm? 2

একক কৰ আৰোপে প্ৰতিষ্ঠানৰ যোগান ৰেখাক কেনেদৰে প্ৰভাৱিত কৰে?

**8.** Discuss the characteristics of perfect competitive market. 4

পূৰ্ণ প্ৰতিযোগিতামূলক বজাৰৰ বৈশিষ্ট্যসমূহ আলোচনা কৰা।

**9.** With the help of demand and supply curve, explain how market equilibrium is attained. 4

চাহিদা আৰু যোগান ৰেখাৰ সহায়ত বজাৰ ভাৰসমতা আহৰণ প্ৰক্ৰিয়া ব্যাখ্যা কৰা।

**10.** Explain the law of diminishing marginal utility. 4

ক্ৰমহ্ৰাসমান প্ৰান্তিক উপযোগিতা বিধিটো ব্যাখ্যা কৰা।

*Or / অথবা*

What is price elasticity of demand? Discuss any one method of calculating price elasticity of demand. 1+3=4

চাহিদাৰ দৰ স্থিতিস্থাপকতা কি? চাহিদাৰ দৰ স্থিতিস্থাপকতা গণনা কৰাৰ যি কোনো এটা পদ্ধতি আলোচনা কৰা।

**11.** Define production function. The production function of a firm is given as $Q = 5\sqrt{LK}$, where $Q$ is output, $L$ is labour employed and $K$ is capital employed. Determine the level of $Q$, when $L = 16$ and $K = 36$. 1+3=4

উৎপাদন ফলনৰ সংজ্ঞা লিখা। এখন প্ৰতিষ্ঠানৰ উৎপাদন ফলন হৈছে $Q = 5\sqrt{LK}$, য'ত $Q$ হৈছে উৎপন্নৰ পৰিমাণ, $L$ হৈছে নিয়োজিত শ্ৰমৰ পৰিমাণ আৰু $K$ হৈছে নিয়োজিত মূলধনৰ পৰিমাণ। $L = 16$ আৰু $K = 36$ হ'লে $Q$ৰ পৰিমাণ নিৰ্ধাৰণ কৰা।

*Or / অথবা*

Discuss the determinants of supply. 4

যোগানৰ নিৰ্ণায়কসমূহ আলোচনা কৰা।

**12.** Write the differences between monopoly market and monopolistic competitive market. 4

একচেটিয়া বজাৰ আৰু একচেটিয়াধৰ্মী প্ৰতিযোগিতাৰ বজাৰৰ পাৰ্থক্যসমূহ লিখা।

**13.** Explain how a consumer attains equilibrium while consuming two commodities. 6

দুটা দ্ৰব্য উপভোগৰ ক্ষেত্ৰত উপভোক্তা এজনে কেনেদৰে ভাৰসমতা অৰ্জন কৰে, ব্যাখ্যা কৰা।

*Or / অথবা*

What is an indifference curve? Draw an indifference curve and discuss its properties. 1+1+4=6

নিৰপেক্ষ ৰেখা কি? এডাল নিৰপেক্ষ ৰেখা অংকন কৰা আৰু ইয়াৰ বৈশিষ্ট্যসমূহ আলোচনা কৰা।

**14.** Define average fixed cost (AFC), average variable cost (AVC) and average cost (AC). Draw the AFC, AVC and AC curves indicating their interrelation. 3+3=6

গড় স্থিৰ ব্যয় (AFC), গড় পৰিৱৰ্তনশীল ব্যয় (AVC) আৰু গড় ব্যয় (AC)ৰ সংজ্ঞা লিখা। AFC, AVC আৰু ACৰ মাজৰ আন্তঃসম্পৰ্ক প্ৰতিফলিত হোৱাকৈ ৰেখা-কেইডাল অংকন কৰা।

*Or / অথবা*

Calculate TFC, TVC, AVC, AFC, AC and MC schedule from the following table : 6

তলৰ তালিকাৰ পৰা TFC, TVC, AVC, AFC, AC আৰু MC অনুসূচী গণনা কৰা :

| *Amount of Production (Q)* *উৎপন্নৰ পৰিমাণ* | 0 | 1 | 2 | 3 | 4 | 5 | 6 |
|---|---|---|---|---|---|---|---|
| *Total Cost (TC)* *মুঠ ব্যয়* | 40 | 100 | 120 | 130 | 150 | 190 | 250 |

## PART—B
## বিভাগ—খ
## ( Statistics for Economics )

**15.** Answer the following :

তলত দিয়াবিলাকৰ উত্তৰ দিয়া :

*(a)* Who forwarded the welfare definition of economics? 1

অৰ্থবিজ্ঞানৰ কল্যাণৰ সংজ্ঞা কোনে আগবঢ়াইছিল ?

*(b)* Write one limitation of statistics. 1

পৰিসংখ্যান বিজ্ঞানৰ এটা সীমাবদ্ধতা লিখা ।

(c) Write the direct method of calculating arithmetic mean in case of discrete variable. 1

বিচ্ছিন্ন চলকৰ ক্ষেত্ৰত সমান্তৰ মাধ্য গণনাৰ প্ৰত্যক্ষ পদ্ধতিটো লিখা।

(d) Write the full form of NSSO. 1

NSSOৰ সম্পূৰ্ণ ৰূপটো লিখা।

(e) Who is known as the father of statistics? 1

পৰিসংখ্যান বিজ্ঞানৰ পিতৃৰূপে কাক জনা যায়?

(f) Write one difference between diagrammatic presentation and graphical presentation of data. 1

তথ্যৰ চিত্ৰীয় উপস্থাপন আৰু লেখচিত্ৰীয় উপস্থাপনৰ মাজৰ এটা পাৰ্থক্য লিখা।

**16.** Calculate range and range coefficient from the following data : 1+1=2

তলৰ তথ্যৰাজিৰ পৰা প্ৰসাৰ আৰু প্ৰসাৰ গুণাংক গণনা কৰা :

12, 15, 18, 21, 24, 27

**17.** Write two differences between discrete variable and continuous variable. 2

বিচ্ছিন্ন চলক আৰু অবিচ্ছিন্ন চলকৰ মাজৰ দুটা পাৰ্থক্য লিখা।

**18.** What do you understand by relative measures of dispersion? 2

বিক্ষেপণৰ আপেক্ষিক মাপ বুলিলে কি বুজা?

**19.** Write two differences between histogram and bar diagram. 2

হিষ্ট'গ্ৰাম আৰু দণ্ড চিত্ৰৰ দুটা পাৰ্থক্য লিখা।

**20.** Write two limitations of 'direct personal investigation' method of data collection. 2

তথ্য সংগ্ৰহৰ 'প্ৰত্যক্ষ ব্যক্তিগত অনুসন্ধান' পদ্ধতিৰ দুটা সীমাবদ্ধতা লিখা।

**21.** Write two features of statistics. 2

পৰিসংখ্যান বিজ্ঞানৰ দুটা বৈশিষ্ট্য লিখা।

**22.** Briefly write about the methods of classification of data. 4

তথ্যৰ শ্ৰেণীবদ্ধকৰণৰ পদ্ধতিসমূহৰ বিষয়ে চমুকৈ লিখা।

*Or / অথবা*

Write the objectives of tabulation of data. 4

তথ্যৰ তালিকাকৰণৰ উদ্দেশ্যসমূহ লিখা।

**23.** The marks obtained by 9 students of a class are given below. Calculate mean deviation : 4

এটা শ্ৰেণীৰ 9 জন ছাত্ৰই লাভ কৰা নম্বৰৰ তালিকা তলত দিয়া হৈছে। গড় বিচলন গণনা কৰা :

22, 65, 40, 50, 38, 20, 70, 25, 75

*Or / অথবা*

Write a note on Lorenz curve. 4

লৰেঞ্জ বক্ৰৰ বিষয়ে এটা টোকা লিখা।

**24.** Calculate Karl Pearson's correlation coefficient from the following data : 4

তলৰ তথ্যৰ পৰা কাৰ্ল পিয়েৰচনৰ সহসম্বন্ধ গুণাংক গণনা কৰা :

| | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|
| $X$ | 6 | 8 | 12 | 15 | 18 | 20 | 24 | 38 | 31 |
| $Y$ | 10 | 12 | 15 | 15 | 18 | 25 | 22 | 26 | 28 |

*Or / অথবা*

What is rank correlation? Briefly outline its demerits. 1+3=4

ক্ৰমাংক সহসম্বন্ধ কি? ইয়াৰ অসুবিধাসমূহ সংক্ষেপে লিখা।

**25.** Calculate mode from the following frequency distribution : 4

তলৰ বাৰংবাৰতা বিভাজনৰ পৰা বহুলক গণনা কৰা :

| | | | | | | | | |
|---|---|---|---|---|---|---|---|---|
| $X$ | 0–10 | 10–20 | 20–30 | 30–40 | 40–50 | 50–60 | 60–70 | 70–80 |
| $f$ | 4 | 12 | 18 | 25 | 16 | 9 | 7 | 3 |

*Or* / *অথবা*

What is median? Discuss its merits. 1+3=4

মধ্যমা কি ? ইয়াৰ সুবিধাসমূহ আলোচনা কৰা ।

**26.** Write the characteristics of an ideal average. 4

এটা আদৰ্শ গড়ৰ বৈশিষ্ট্যসমূহ লিখা ।

**27.** Write short notes on : 3+3=6

চমু টোকা লিখা :

*(a)* Wholesale price index

পাইকাৰী দৰ সূচকাংক

*(b)* Consumer price index

উপভোক্তাৰ দৰ সূচকাংক

*Or* / *অথবা*

Discuss the use of index number in the study of economics. 6

অৰ্থবিজ্ঞানৰ অধ্যয়নত সূচক সংখ্যাৰ ব্যৱহাৰ আলোচনা কৰা ।

**28.** Discuss the characteristics of a good questionnaire. 6

এখন ভাল প্ৰশ্নাৱলীৰ বৈশিষ্ট্যসমূহ আলোচনা কৰা ।

*Or / অথবা*

Draw a histogram and a frequency polygon from the following data : 4+2=6

তলৰ তথ্যৰ পৰা এটা হিষ্ট'গ্ৰাম আৰু এটা বাৰংবাৰতা বহুভুজ অংকন কৰা :

| *Marks Obtained* *প্ৰাপ্ত নম্বৰ* | 10–20 | 20–30 | 30–40 | 40–50 | 50–60 | 60–70 |
|---|---|---|---|---|---|---|
| *No. of Students* *ছাত্ৰৰ সংখ্যা* | 5 | 12 | 15 | 22 | 19 | 4 |

★★★